# Phone call between Prime Minister Shri Narendra Modi and H.E. Mr. Mark Rutte, Prime Minister of the Netherlands

July 13, 2022

# প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু নেডাৰলেণ্ডৰ প্ৰধান মন্ত্ৰী মাননীয় মিঃ মাৰ্ক ৰুটেৰ মাজত ফোন যোগে বাৰ্তালাপ

জুলাই 13, 2022

প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নেডাৰলেণ্ডৰ প্ৰধান মন্ত্ৰী, মাননীয় মিঃ মাৰ্ক ৰুটেৰ সৈতে ফোন যোগে বাৰ্তালাপ কৰে।

দুয়োজন নেতাই ভাৰত-নেডাৰলেণ্ড দ্বিপক্ষীয় সম্পৰ্ক, যাৰ ভিতৰত আছিল জলৰ ওপৰত কৌশলগত অংশীদাৰিত্ব, কৃষিৰ মূল ক্ষেত্ৰত সহযোগিতা, উচ্চ প্ৰযুক্তি আৰু উদীয়মান খণ্ডত দ্বিপক্ষীয় সহযোগিতাৰ সম্ভাৱনা আলোচনা কৰে। দুয়োজন নেতাই লগতে ভাৰত-ইউৰোপীয় ইউনিয়ন সম্পৰ্ক, ইণ্ডো-পেচিফিকত সমন্বয় আৰু সহযোগিতাকে ধৰি আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহৰ ওপৰত ভাব বিনিময় কৰে।

নিয়মীয়া উচ্চ-স্তৰৰ ভ্ৰমণ আৰু ভাব বিনিময়ৰ সৈতে, ভাৰত-নেডাৰলেণ্ড সম্পৰ্কই শেহতীয়া কেইবছৰত বৃহৎ গতি লাভ কৰিছে। দুয়োজন প্ৰধান মন্ত্ৰীয়ে 09 এপ্ৰিল 2021 তাৰিখে এক ভাৰচ্যুৱেল সন্মিলন অনুষ্ঠিত কৰে আৰু নিয়মীয়াভাৱে সংযোগত আছে। ভাৰচ্যুৱেল সন্মিলনখনত নেডাৰলেণ্ডৰ সৈতে 'জলৰ ওপৰত কৌশলগত অংশীদাৰিত্ব' মুকলি কৰা হয়।

বৰ্তমান বছৰত, ভাৰত আৰু নেডাৰলেণ্ডে যুটীয়াভাৱে কূটনৈতিক সম্পৰ্ক স্থাপনৰ 75 বছৰ উদযাপন কৰিছে। এই বিশেষ কৃতিত্ব উদযাপন কৰা হয় 4-7 এপ্ৰিল 2022 তাৰিখৰ ভাৰতৰ উপ ৰাষ্ট্ৰপতিৰ নেডাৰলেণ্ড ভ্ৰমণৰ সৈতে।

**নতুন দিল্লী**
**জুলাই 13, 2022**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.